# অসম বিধান সভা

# লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা

## বুধবাৰ, ২৫ মাৰ্চ, ২০২০

**জলসম্পদ, বিজ্ঞান আৰু প্ৰযুক্তি, তথ্য প্ৰযুক্তি, সাংস্কৃতিক পৰিক্ৰমা, গুৱাহাটী উন্নয়ন, আইন আৰু ন্যায়িক, শ্ৰম কল্যাণ (স্বতন্ত্ৰ দায়িত্ব), চাহ জনজাতি কল্যাণ (স্বতন্ত্ৰ দায়িত্ব)।**

---

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ১০**

*বিষয়* ঃ **কল্যাণমূলক আঁচনিৰ খতিয়ান**

শ্ৰীদেৱব্ৰত শইকীয়া ঃ

২৭৯। মাননীয় চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চাহ শ্ৰমিকৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে চাহ জনজাতি কল্যাণ বিভাগৰ তৰফৰ পৰা বাগিচাসমূহত স্বাস্থ্য সেৱা, শিক্ষাৰ সম্প্ৰসাৰণ আৰু পানী যোগান আঁচনিৰ ক্ষেত্ৰত ২০১৬ চনৰ পৰা বৰ্তমানলৈকে কি কি আঁচনি গ্ৰহণ কৰিছে?

(খ) অসমৰ কিমানখন চাহ বাগিচাত হাস্পতাল নাই?

(গ) যি সমূহত হাস্পতাল আছে, তাত কোম্পানীৰ তৰফৰপৰা নিয়োগ কৰিবলগীয়া চিকিৎসক তথা আন স্বাস্থ্য কৰ্মচাৰী আছেনে নাই? বিতং তথ্য দিব।

(ঘ) চৰকাৰে ঘোষণা কৰা বাগিচা অঞ্চলত ১০০খন আৱাসিক হাইস্কুল পৰ্য্যায়লৈকে স্থাপন হ'বলগীয়া বিদ্যালয়ৰ বৰ্তমানলৈ কেইখন স্থাপন কৰা হ'ল? জিলা ভিত্তিক তথ্য দিব।

(ঙ) বৰ্তমান কেইখন বিদ্যালয় নিৰ্মীয়মান অৱস্থাত আছে?

(চ) চাহ জনজাতি কল্যাণৰ পৰামৰ্শদাতা সমিতিৰ সিদ্ধান্ত অনুসৰি ২০১৬ চনৰপৰা বৰ্তমানলৈ বাগিচা অঞ্চলত কিমানখন নতুন পানী যোগান আঁচনি মুকলি কৰা হ'ল আৰু কিমান আঁচনি নিৰ্মীয়মান অৱস্থাত আছে? বিতং তথ্য দিব।

(ছ) বাগিচা অঞ্চলত চৰকাৰে বনাবলগীয়া পকী ৰাস্তা কিমানখন বাগিচাত নিৰ্মাণ কৰা হ'ল? বৰ্ষ ভিত্তিক তথ্য দিব।

(জ) এতিয়ালৈকে এনে কিমান ৰাস্তা বনাবলৈ বাকী আছে?

*বিষয়* ঃ **গৰাখহনীয়া ৰোধ**

ডাঃ নজৰুল হক ঃ

২৮০। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২৩ নং ধুবুৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত ধুবুৰী পাটামাৰী পথটো গৰাখহনীয়াৰ কবলত পৰাটো জলসম্পদ বিভাগৰ দৃষ্টিগোচৰ হৈছেনে?

(খ) যদি হৈছে, বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) উক্ত কামৰ বাবে বিভাগে নিবিদা লৈছেনে? যদি লৈছে, তেন্তে উক্ত কামৰ দায়িত্ব কাক দিয়া হৈছে জনাব।

*বিষয়* ঃ **খালী পদ**

শ্ৰীপবিন্দ্ৰ ডেকা ঃ

২৮১। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ জলসম্পদ বিভাগত বৰ্তমান কিমান সংখ্যক Junior Engineer, Asstt. Engineer, Administrate Assistant আৰু চতুৰ্থ শ্ৰেণীৰ পদ খালী আছে?

(খ) এনেভাবে খালী হৈ থকা পদসমূহ পূৰণ কৰাৰ ব্যৱস্থা বিভাগে কৰিছেনে?

(গ) যদি কৰিছে, কেতিয়ালৈ খালী পদসমূহ পূৰণ কৰাৰ ব্যৱস্থা ল'ব?

*Sub.* : **Schemes under Science & Technology.**

Shri RUPJYOTI KURMI :

282. Will the Minister of Science & Technology be pleased to state :

(a) Is there any schemes under Science & Technology Department for the state of Assam ?

(b) If yes, please furnish detailed data of the state of Assam, District-wise, from the year 2016-17 to 2019-20 ?

*বিষয়* ঃ **পঞ্জীয়নভুক্ত শ্ৰমিকৰ সংখ্যা**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

২৮৩। মাননীয় শ্ৰম কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানজন পঞ্জীয়নভুক্ত শ্ৰমিক আছে? জিলা ভিত্তিত তালিকা দিব।

(খ) ২০১৬ চনৰ পৰা বৰ্তমানলৈকে বৰপেটা জিলাৰ কোন কোন পঞ্জীয়নভুক্ত শ্ৰমিকে কি কি সুবিধা চৰকাৰৰ পৰা পালে, সমষ্টি ভিত্তিত সেই তালিকা দিব।

(গ) শ্ৰম বিভাগৰ জৰিয়তে কি কি আঁচনি লোৱা হয়, সেই তালিকা দিব।

*বিষয়* ঃ **শ্ৰমিক উন্নয়ন আঁচনি**

শ্ৰীআমিনুল ইছলাম ঃ

২৮৪। মাননীয় শ্ৰম কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সংগঠিত আৰু অসংগঠিত শ্ৰমিকসকলৰ সুৰক্ষা, নিৰাপত্তা আৰু কল্যাণৰ বাবে অসমত কি কি আইন চলি আছে?

(খ) শ্ৰমিকসকলৰ উপাৰ্জন, বীমা, কল্যাণনিধি আৰু নিৰাপত্তাৰ ক্ষেত্ৰত থকা নীতি-নিয়ম বিলাক উল্লেখ কৰিব আৰু এই আইন উলংঘা কৰাৰ শাস্তি বিধান কি আছে, বিস্তাৰিত অৱগত কৰিব।

*Sub.* : **Fast Track Court**

Shri RUPJYOTI KURMI :

285. Will the Minister of Law & Justice be pleased to state :

(a) Has the Government taken steps as assured on the floor of Assembly, for setting up of Fast Track Court ?

(b) If yes, please furnish detailed data of the Fast Track Court.

*বিষয়* ঃ **মথাউৰিৰ সংখ্যা**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

২৮৬। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত চলিত বৰ্ষত কিমানটা মথাউৰি নিৰ্মাণ কৰা হৈছে, সেই তালিকা দিব।

(খ) সৰুক্ষেত্ৰী সমষ্টিৰ কোন কোন নদীয়ে ক'ত ক'ত খহনীয়াৰ সৃষ্টি কৰিছে, সেই তালিকা বিতংকৈ দিব।

(গ) সৰুক্ষেত্ৰী সমষ্টিত জলসম্পদ বিভাগৰ জৰিয়তে গৰাখহনীয়া প্ৰতিৰোধৰ বাবে কি কি আঁচনি হাতত লোৱা হৈছে, সেই বিষয়ে বিতংকৈ জনাব।

*বিষয়* ঃ **জ্যোতি বিষ্ণু সাংস্কৃতিক প্ৰকল্প**

শ্ৰীআমিনুল ইছলাম ঃ

২৮৭। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধিং সমষ্টিৰ বাবে জ্যোতি বিষ্ণু সাংস্কৃতিক প্ৰকল্পটো অনুমোদন হৈছিল নেকি? যদি হৈছিল, কেতিয়া?

(খ) প্ৰকল্পটো ক'ত স্থাপন কৰা হ'ব আৰু কেতিয়া কৰিব জনাবনে?

*Sub.* : **Employment to Tea Tribes people.**

Shri RUPJYOTI KURMI :

288. Will the Minister of Tea Tribes Welfare be pleased to state :

(a) Has the Government opened empolyment to Tea Tribes people in Government or Non-Government sector ?

(b) If yes, please furnish detailed data.

---

Assam Government press 78/20-LAQ-750-16-03-2020